# Mission Sagar: India’s helping hand across the Indian Ocean

May 10, 2020

## মিছন সাগৰঃ ভাৰত মহাসাগৰত ভাৰতৰ সহায়ৰ হাত

মে’ 10, 2020

ক’ভিড-19 মহামাৰীৰ সৈতে মোকাবিলাত সাহাৰ্য প্ৰদান কৰাৰ কাৰণে তেওঁলোকৰ অনুৰোধ মৰ্মে ভাৰত চৰকাৰে মালদ্বীপ, মৰিছাছ, মাডাগাস্কাৰ, কম’ৰ’ছ আৰু ছিছিলিছলৈ চিকিত্সা সাহাৰ্যৰ দুটা দলৰ লগতে কভিড সম্পৰ্কীয় ঔষধপাতি আৰু প্ৰয়োজনীয় খাদ্য সামগ্ৰী লৈ ভাৰতীয় নৌবাহিনীৰ জাহাজ কেশৰীক প্ৰেৰণ কৰিছে।

চিকিত্সা সাহাৰ্যৰ দলসমূহক ক’ভিড জৰুৰী আৰু ডেঙ্গু জ্বৰৰ সৈতে মোকাবিলা কৰিবৰ কাৰণে মৰিছাছ আৰু কম’ৰ’ছত মোতায়ন কৰা হৈছে

জাহাজখনে মৰিছাছ, মাডাগাস্কাৰ, কম’ৰ’ছ আৰু ছিছিলিছ লৈ প্ৰয়োজনীয় ঔষধ প্ৰেৰণ আৰু প্ৰায় 600 টন খাদ্য সামগ্ৰী মালদ্বীপ যোগান ধৰিব। ইয়াৰ উপৰিও মৰিছাছৰ কাৰণে এক বিশেষ আয়ুৰ্বেদিক ঔষধ প্ৰেৰণ কৰা হব।

মাডাগাস্কাৰ আৰু কম’ৰ’ছলৈ যাবলগীয়া চালানত হাইড্ৰক্লৰকুইনৰ টেবলেট আছে আৰু যাক ইতিমধ্যে মৰিছাছ, মালদ্বীপ আৰু ছিছিলিছলৈও প্ৰেৰণ কৰা হৈছে।

সময় সাপেক্ষ ভূমিকা হিচাপে এই অঞ্চলত প্ৰথম উত্তৰদাতা হিচাপে ভাৰতে ইতিমধ্যে মালদ্বীপ, শ্ৰীলংকা, মৰিছাছ আৰু ছিছিলিছ চৰকাৰলৈ ক’ভিড-19 সম্বন্ধীয় প্ৰয়োজনীয় ঔষধ যোগান ধৰাৰ প্ৰচেষ্টাৰ সমৰ্থন জনায়। এই সংকটৰ সৈতে মোকাবিলা কৰাত মালদ্বীপ চৰকাৰৰ তত্পৰতা বৃদ্ধি কৰিবৰ কাৰণে নিৰ্বাচিত এক চিকিত্সা কৰ্মীৰ দলক মালদ্বীপলৈ পঠোৱা হৈছে।

‘মিছন সাগৰ’ হৈছে প্ৰধানমন্ত্ৰীৰ সাগৰ- সুৰক্ষা আৰু এই সমগ্ৰ ক্ষেত্ৰৰ অন্তৰ্গত সকলো ৰাষ্ট্ৰৰ উন্নয়ন সম্বন্ধীয় দৃষ্টিভংগীৰ দ্বাৰা অনুপ্ৰাণিত।

**নতুন দিল্লী**
**মে’ 10, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.